# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 25-12-2024 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড়ৰ সচিবালয়ত আয়োজিত এখন পৰ্যালোচনা বৈঠকত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা তিনিচুকীয়া জিলাৰ শদিয়া সমষ্টিত ৰূপায়িত হৈ থকা বিভিন্ন আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। বৈঠকত সমষ্টিটোত ৰূপায়ণ কৰিবলগীয়া বিভিন্ন আঁচনি সম্পৰ্কতো বিভাগীয় বিষয়াসকলৰ সৈতে মুখ্যমন্ত্ৰীয়ে আলোচনা কৰে। বিশেষকৈ বান প্ৰতিৰোধ আৰু নতুন মথাউৰি নিৰ্মাণ, উন্নত চিকিৎসাৰ বাবে প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত চিকিৎসক নিযুক্তি, ছৈখোৱাত নতুন ৰাজহ চক্ৰ গঠন, ধান আৰু সৰিয়হ ক্ৰয়ৰ কেন্দ্ৰ স্থাপন, দুগ্ধ সংসাধন প্ৰকল্প স্থাপনৰ লগতে মূল সুঁতিলৈ উভতি অহা আলফা কেডাৰসকলক কৃষি সমবায়ৰ বাবে ভূমিৰ আৱন্টন দিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। এই বৈঠকতে ছপাখোৱা শদিয়াত বীৰ লাচিত ষ্টেডিয়াম চৌহদ, কাকপথাৰ বহুমুখী ইনড'ৰ ষ্টেডিয়াম, ধলা-শদিয়া দলঙত ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তি নিৰ্মাণ আদিৰ সন্দৰ্ভত লোৱা সিদ্ধান্তৰ ওপৰত বিতংভাৱে আলোচনা কৰি নিৰ্মাণকাৰ্য চলি থকা এই প্ৰকল্পসমূহ সময়মতে সম্পূৰ্ণ কৰিবলৈও তেওঁ সংশ্লিষ্ট বিভাগসমূহক নিৰ্দেশ দিয়ে। পৰ্যালোচনা সভাখনত সাংসদ প্ৰদান বৰুৱা, বিধায়ক বলিন চেতিয়া, অতিৰিক্ত মুখ্য সচিব চৈয়দ্দিন আববাছী আদিকে ধৰি সংশ্লিষ্ট বিভাগসমূহৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

ৰাজ্যৰ ৰবি শস্যৰ খেতি কৰা কৃষকক ফচলৰ বীমা সময় অনুসৰি পঞ্জীয়ন কৰিবলৈ কৃষি বিভাগে আহ্বান জনাইছে। সেই অনুসৰি মাঁকে, সৰিয়হ আৰু আলুৰ বাবে অহা ৩১ ডিচেম্বৰৰ ভিতৰত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত কৃষকসকলে পঞ্জীয়ন কৰিব পাৰিব। আনহাতে বৰো ধান আৰু কুঁহিয়াৰৰ খেতি কৰা কৃষকসকলে অহা ১৫ ফেব্ৰুৱাৰীৰ ভিতৰত বীমাৰ পঞ্জীয়ন কৰিব পাৰিব বুলি কৃষি বিভাগে জনাইছে। উল্লেখযোগ্য যে বান, খৰাং আদিৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ লগতে বিভিন্ন ৰোগ বা পোক-পৰুৱাৰ আক্ৰমণৰ ফলত শস্যভূমিৰ ক্ষতি হ'লে ৰাজ্যৰ কৃষকসকলক কৃষি বিভাগে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত ক্ষতিপূৰণ আগবঢ়াব। কেন্দ্ৰীয় চৰকাৰৰ এই আঁচনিৰ অধীনত ৰবি শস্যৰ খেতি কৰা কৃষকসকলে বীমাৰ জৰিয়তে ক্ষতিগ্ৰস্ত শস্যৰ উচিত ক্ষতিপূৰণ পাবলৈ সমৰ্থ হ'ব। এই বিষয়ে সবিশেষ জানিবলৈ কৃষকসকলে নিজ নিজ জিলাৰ কৃষি বিষয়াৰ কাৰ্যালয়, জনসেৱা কেন্দ্ৰ নাইবা সংশ্লিষ্ট বীমা সংস্থাৰ সৈতে যোগাযোগ কৰিব পাৰিব।

০০০০০০

আজি পবিত্ৰ বৰদিন। যীশু খ্ৰীষ্টৰ জন্মদিন উপলক্ষে পালন কৰা এই উৎসৱত খ্ৰীষ্টধৰ্মী লোকসকলে নিজৰ উপাসনাস্থলী গীৰ্জাঘৰত সমবেত হৈ ধৰ্মীয় ৰীতি-নীতি আৰু পৰম্পৰাৰ মাজেৰে বৰদিন উদযাপন কৰিছে। যোৱা নিশাৰ পৰাই কেৰলৰ ধ্বনি আৰু মনোমোহা আলোকসজ্জাৰে প্ৰতিটো গীৰ্জা মুখৰিত হৈ উঠিছে। সমগ্ৰ বিশ্বৰ লগতে দেশ তথা ৰাজ্যতো অনাবিল উৎসাহেৰে বৰদিন পালন কৰা হৈছে। খ্ৰীষ্টধৰ্মী সকলৰ সমানে অন্য ধৰ্মৰ লোকেও এই উৎসৱত অংশগ্ৰহণ কৰি সমাজত শান্তি-সম্প্ৰীতিৰ বাৰ্তা দিছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত থকা গীৰ্জাঘৰসমূহত যোৱা নিশা প্ৰাক-বৰদিন প্ৰাৰ্থনা সভা অনুষ্ঠিত হয়। গুৱাহাটীৰ পানবজাৰত থকা খ্ৰীষ্ট চাৰ্চ, ব্যাপ্তিষ্ট চাৰ্চ, কাহিলীপাৰা, চানমাৰি, খানাপাৰা আদি স্থানত থকা গীৰ্জাঘৰসমূহত আজি দুপৰীয়া আৰু সন্ধিয়া বৰদিনৰ সমূহীয়া প্ৰাৰ্থনা অনুষ্ঠিত হ'ব, য'ত প্ৰভু যীশু আৰু মেৰীৰ ত্যাগক প্ৰাৰ্থনাৰ মাজেৰে পূৰণ কৰা হ'ব। নিশালৈ ঠায়ে ঠায়ে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হৈছে। আৰক্ষী প্ৰশাসনে বৰদিনৰ সময়ত যাতে কোনো ধৰণৰ অসুবিধা নহয় তাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। অসমৰ লগতে মেঘালয় আৰু খ্ৰীষ্টধৰ্মী লোকৰ প্ৰাধান্য থকা মিজোৰামকে ধৰি চুবুৰীয়া ৰাজ্যকেইখনতো পবিত্ৰ বৰদিন উপলক্ষে ব্যাপক উৎসাহৰ সৃষ্টি হৈছে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ইংৰাজী ২০২৪ বৰ্ষৰ সমাপ্তি উপলক্ষে কেইটামান বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। সেই অনুসৰি অহা ২৮ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত সমাজৰ নিঃস্ব, আৰ্তজন আৰু

অমাতৰ হৈ নীৰৱে কাম কৰি যোৱা তিনিগৰাকী ব্যক্তিৰ বছৰটোৰ সামৰণিৰ উপলব্ধি প্ৰচাৰ কৰা হ'ব। ৩১ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত দেশ-বিদেশৰ ৰাজনীতি-সমাজনীতি, ক্ৰীড়া, সংস্কৃতি, সাহিত্য জগতৰ উল্লেখযোগ্য ঘটনাৱলীৰ বছৰজোৰা আলোকপাতৰ এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ ষ্টুডিঅ'ত সাংবাদিক, চলচ্চিত্ৰ সমালোচক আৰু ৰাজনৈতিক পৰ্যবেক্ষক উপস্থিত থাকি বছৰটোৰ উল্লেখযোগ্য ঘটনাৱলীৰ পৰ্যালোচনা আগবঢ়াব।

0000000

**সমাপ্ত**